39তেতিয়া লোক সকলৰ মাজৰ পৰা ফৰীচী সকলৰ কোনো কোনোৱে আহি তেওঁক ক’লে, "হে গুৰু, আপোনাৰ শিষ্য সকলক ডবিয়াওক।
40তেতিয়া যীচুৱে উত্তৰ দি ক’লে, " মই তোমালোকক কওঁ, এওঁলোকে মনে মনে থাকিলে, শিলবোৰে আটাহ পাৰিব। "

## যিৰূচালেমৰ কাৰণে বিলাপ কৰা

41পাছত যীচু ওচৰলৈ আহি যিৰূচালেম নগৰ দেখি কান্দিলে 42আৰু কলে, " হায়! হায়! তোমাৰ এইদিনত শান্তিজনক কি, সেই বিষয়ে তুমি জনা হ’লে! কিন্তু এতিয়া তোমাৰ চকুৰ পৰা সেইবোৰ লুকুৱা হৈছে।

43কিয়নো তোমাৰ কৃপাদৃষ্টিৰ কাল তুমি নজনা কাৰণে, যি কালত তোমাৰ শত্ৰুবোৰে তোমাৰ চাৰিওফালে গড় বান্ধি তোমাক বেৰি ধৰিব আৰু চাৰিওফালৰ পৰা তোমাক আগচি ধৰিব, 44সেই কালত তেওঁলোকে তোমাক আৰু তোমাৰ ভিতৰত থকা সন্তান সকলক একেলগে মাটিৰ সমান কৰিব। তোমাৰ এটা শিলৰ ওপৰত এটা শিল থাকিব নিদিব; কাৰণ তোমাৰ তত্ত্বাবধানৰ বাবে ঈশ্বৰ যে তোমাৰ ওচৰলৈ আহিল, সেই কথা তুমি নুবুজিলা। "

## মন্দিৰ পৰিস্কাৰ কৰা

45পাছত[8] তেওঁ যিৰূচালেম মন্দিৰত সোমাই, তাত থকা বিক্ৰেতা সকলক বাহিৰ কৰিবলৈ ধৰিলে, আৰু 46সিহঁতক ক’লে, " লিখা আছে, 'মোৰ ঘৰ প্ৰাৰ্থনাৰ ঘৰ হ’ব,'[9] কিন্তু তোমালোকে তাক ডকাইতৰ গুহা কৰিলাহঁক।"[10]

47তেতিয়াৰে পৰা যীচুৱে নিতৌ সেই মন্দিৰত উপদেশ দি আছিল। তাৰ প্ৰধান পুৰোহিত, অধ্যাপক আৰু প্ৰধান লোক সকলে তেওঁক বধ কৰিবলৈ ছল বিচাৰিলে; 48কিন্তু সকলো মানুহে তেওঁৰ কথা একান্তমনে শুনি থকাত, তেওঁলোকে কি কৰিব পাৰিব, তাৰ একো নিশ্চয় কৰিব নোৱাৰিলে।

---

19:7 [1]
19:8 [2]
19:10 [3]
19:11 [4]
19:26 [5]
19:38 [6]
19:38 [7]
19:45 [8]
19:46 [10]
19:46 [9]

# ১৯ অধ্যায়। 20

## যীচুৰ ক্ষমতাৰ বিষয়ে প্ৰশ্ন

1এদিন যীচুৱে যিৰূচালেম মন্দিৰত শুভবাৰ্ত্তা প্ৰচাৰ কৰি, লোক সকলক যেতিয়া উপদেশ দি আছিল, তেতিয়া পৰিচাৰক সকলৰ সৈতে প্ৰধান পুৰোহিত আৰু অধ্যাপক সকল তেওঁৰ ওচৰলৈ আহিল। 2তেওঁলোকে তেওঁক সুধিলে, "আমাক কোৱা, তুমি কি ক্ষমতাৰে এইবোৰ কৰিছা? বা তোমাক এই ক্ষমতা দিওঁতা জন কোন?"

3তেতিয়া তেওঁ উত্তৰ দি তেওঁলোকক ক’লে, "ময়ো তোমালোকক এটা প্ৰশ্ন সোধোঁ, তোমালোকে মোক উত্তৰ দিয়া! 4যোহনৰ বাপ্তিস্ম স্বৰ্গৰ পৰা, নে মানুহৰ পৰা হৈছিল?"

5তেতিয়া তেওঁলোকে ইজনে সিজনে বিবেচনা কৰি ক’লে, "'স্বৰ্গৰ পৰা' বুলি যদি কওঁ, তেন্তে তেওঁত কিয় বিশ্বাস নকৰিলা বুলি তেওঁ ক’ব।
6কিন্তু আমি যদি কওঁ-“মানুহৰ পৰা”, তেনেহলে লোক সকলে আমাক শিল দলিয়াই মাৰিব; কাৰণ লোক সকলে যোহনক এজন ভাববাদীৰূপে দৃঢ় বিশ্বাস কৰে।”

7তেওঁলোকে তেতিয়া উত্তৰ দি ক'লে, " সেয়ে ক’ৰ পৰা আহিল, সেই বিষয়ে আমি নাজানো। " 8তেতিয়া যীচুৱে তেওঁলোকক ক’লে, " তেনেহলে, কি ক্ষমতাৰে মই এইবোৰ কৰোঁ, সেই বিষয়ে ময়ো তোমালোকক নকওঁ। "

